28T EDUC

Roll No 10312

# 2018

# EDUCATION

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×12 = 12 |
| *Q. No. 2 – 13 carry 2 marks each* | 2×12 = 24 |
| *Q. No. 14 – 23 carry 4 marks each* | 4×10 = 40 |
| *Q. No. 24 – 27 carry 6 marks each* | 6×4 = 24 |
| | Total = 100 |

*Contd.*

1. Answer the following questions : 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

*Fill in the blanks :*

*খালী ঠাই পূৰণ কৰা ঃ*

(a) Multipurpose secondary schools in Assam were established on the basis of recommendations of _________ Commission.

অসমত বহুমুখী মাধ্যমিক বিদ্যালয় সমূহ _________ আয়োগৰ পৰামৰ্শৰ ভিত্তিত প্ৰতিষ্ঠা কৰা হৈছিল।

(b) Absence of direct contact between teacher and student is an important characteristic of _________ education.

শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ প্ৰত্যক্ষ সম্পৰ্কৰ অনুপস্থিতি _________ শিক্ষাৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

(c) Stimulus has no influence on _________ attention.

_________ মনোযোগত উদ্দীপকৰ কোনো প্ৰভাৱ নাথাকে।

(d) Through repeated attempts a student succeeds in computing a sum by himself. Such learning is supported by _________ method of learning.

বহুবাৰ চেষ্টা কৰি এজন ছাত্ৰই এটা অংক নিজে সফলভাৱে কৰিবলৈ সক্ষম হ'ল। এনে শিক্ষণ প্ৰক্ৰিয়া শিক্ষণৰ _________ পদ্ধতিৰ দ্বাৰা সমৰ্থিত।

(e) Counselling is _________ function of mental hygiene.

পৰামৰ্শ দান মানসিক স্বাস্থ্য বিজ্ঞানৰ _________ মূলক কাৰ্য।

(f) All scores are taken into consideration in finding out _________ as measure of central tendency.

কেন্দ্ৰীয় প্ৰৱণতাৰ জোখ হিচাপে _________ নিৰ্ণয় কৰোতে সকলো ৰাশি বিচাৰ কৰা হয়।

*Give short answer in one sentence :*

এটা বাক্যত চমু উত্তৰ দিয়া ঃ

(g) What is the objective of 'Early Childhood Care and Education'?

'আগতীয়া বাল্যকালৰ যত্ন আৰু শিক্ষা'ৰ উদ্দেশ্য কি?

(h) Who introduced the concept of population education?

জনসংখ্যা শিক্ষাৰ ধাৰণাটো কোনে আৰম্ভ কৰিছিল?



(i) 'Learning involves totality of perception'—which method of Learning is related with this statement?

"সমগ্ৰতা নিৰীক্ষণৰ ওপৰত শিক্ষণ নিৰ্ভৰশীল" — এই উক্তিটোৰ লগত শিক্ষণৰ কোনটো পদ্ধতি জড়িত হৈ আছে?

(j) Is it correct to say that memory always aims at the past? — Justify your answer.

স্মৃতি সদায় অতীতমুখী বুলি কোৱা কথাটো শুদ্ধনে? তোমাৰ উত্তৰৰ সমৰ্থনত যুক্তি আগবঢ়োৱা।

(k) Mention an objective of mental hygiene.

মানসিক স্বাস্থ্য বিজ্ঞানৰ এটা উদ্দেশ্য উল্লেখ কৰা।

(l) 25% of the scores in a distribution is less than the score 10 and 25% is more than the score 40. Find out the quartile deviation of the distribution.

এখন বিতৰণ তালিকাৰ 25% ৰাশি 10 ৰাশিটোৰ তলত আৰু 25% ৰাশি 40 ৰাশিটোৰ ওপৰত আছে। বিভাজন তালিকাৰ চতুৰ্থক বিচ্যুতি নিৰ্ণয় কৰা।

2. Describe *two* important problems of Secondary Education in Assam. 2

অসমৰ মাধ্যমিক শিক্ষাৰ *দুটা* সমস্যা বৰ্ণনা কৰা।

3. Mention *two* important features of Distance Education. 2

দূৰ শিক্ষাৰ *দুটা* গুৰুত্বপূৰ্ণ দিশ উল্লেখ কৰা।

4. Write *two* objectives of Environmental Education. 2

পৰিবেশ শিক্ষাৰ *দুটা* উদ্দেশ্য লিখা।

5. Mention *two* benefits of imparting Physical Education in school. 2

বিদ্যালয়ত শাৰীৰিক শিক্ষা প্ৰদানৰ *দুটা* উপকাৰিতা উল্লেখ কৰা।

6. Mention *two* educational applicability of conditioning method of learning. 2

শিক্ষণৰ অনুবন্ধন পদ্ধতিৰ *দুটা* শিক্ষামূলক প্ৰায়োগিকতা উল্লেখ কৰা।

*Contd.*

*Or/বা*

"Learning is nothing but a process of solving problems" — What is your view? 2

"শিক্ষণ এটা সমস্যা সমাধানৰ প্ৰক্ৰিয়াৰ বাহিৰে অন্য একো নহয়" — তোমাৰ মতামত কি?

7. Briefly show the difference between 'trial and error method' and 'insightful method' of learning. 2

শিক্ষণৰ 'প্ৰচেষ্টা আৰু ভুল পদ্ধতি' আৰু 'অন্তৰ্দৰ্শন পদ্ধতি'ৰ চমুকৈ পাৰ্থক্য দেখুৱা।

8. Write a note on the differences between Retroactive Inhibition and Proactive Inhibition. 2

পশ্চাৎমুখী প্ৰতিৰোধ আৰু পূৰ্বমুখী প্ৰতিৰোধৰ পাৰ্থক্যৰ বিষয়ে এটি টোকা লিখা।

9. "Instinct is an important condition of attention" — explain. 2

"প্ৰবৃত্তি মনোযোগৰ এটা গুৰুত্বপূৰ্ণ চৰ্ত" — ব্যাখ্যা কৰা।

10. Mention *two* points showing the relationship between education and mental hygiene. 2

শিক্ষা আৰু মানসিক স্বাস্থ্য বিজ্ঞানৰ সম্পৰ্ক দেখুৱাই *দুটা* দিশ উল্লেখ কৰা।

11. "Mental health depends upon adequate satisfaction of our needs". — Explain this statement. 2

"মানসিক স্বাস্থ্য আমাৰ প্ৰয়োজনীয়তা সমূহৰ উপযুক্ত পৰিতৃপ্তিৰ ওপৰত নিৰ্ভৰ কৰে" — কথাষাৰ ব্যাখ্যা কৰা।

12. Why Median is considered as a positional measure of central tendency? Write the formula for finding out median from grouped data. 1+1=2

মধ্যমাক কেন্দ্ৰীয় প্ৰৱণতাৰ স্থানসূচক জোখ বুলি কিয় কোৱা হয়? সমূহিত ৰাশিৰ মধ্যমা নিৰ্ণয়ৰ সূত্ৰটো লিখা।

13. Mention *two* uses of statistics in education. 2

শিক্ষাত পৰিসংখ্যা বিজ্ঞানৰ *দুটা* ব্যৱহাৰ উল্লেখ কৰা।

14. Write *four* functions of 'Board of Secondary Education, Assam' as given by 'Secondary Education Act, Assam, 1961'. 4

'মাধ্যমিক শিক্ষা আইন, অসম, 1961'-ৰ দ্বাৰা প্ৰদত্ত 'অসম মাধ্যমিক শিক্ষা বোৰ্ড'-ৰ *চাৰিটা* কাৰ্য উল্লেখ কৰা।



15. Write briefly the suggestions given by Kothari Commission regarding structure of Secondary Education. 4

মাধ্যমিক শিক্ষাৰ সংগঠন সম্পৰ্কে কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ চমুকৈ লিখা।

16. Describe the suggestions given by Mudaliar Commission for improvement of vocational efficiency among students. 4

ছাত্ৰসকলৰ বৃত্তিমূলক যোগ্যতাৰ উন্নতিৰ বাবে মুডালিয়াৰ আয়োগৰ পৰামৰ্শ সমূহ বৰ্ণনা কৰা।

*Or/বা*

Discuss the suggestions given by National Policy of 1986 to equalize educational opportunity.

শিক্ষাত সমতাৰ সুযোগ প্ৰদানৰ বাবে ১৯৮৬ চনৰ জাতীয় শিক্ষানীতিত আগবঢ়োৱা পৰামৰ্শ সমূহ আলোচনা কৰা।

17. Suggest *four* measures for imparting population education in educational institution. 4

শিক্ষানুষ্ঠানত জনসংখ্যা শিক্ষা প্ৰদানৰ বাবে *চাৰিটা* পৰামৰ্শ আগবঢ়োৱা।

*Or/বা*

Discuss the scope of Environmental Education.

পৰিবেশ শিক্ষাৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰা।

18. Write the educational importance of the 'Law of effect' of learning. 4

শিক্ষণৰ 'ফলাফলৰ নীতি'ৰ শৈক্ষিক তাৎপৰ্য লিখা।

19. Mention *four* educative value of 'insightful method' of learning. 4

শিক্ষণৰ 'অন্তৰ্দৰ্শন পদ্ধতি'ৰ *চাৰিটা* শৈক্ষিক মূল্য উল্লেখ কৰা।

20. Explain the concept of analytical and synthetic attention with example. 4

বিশ্লেষণাত্মক আৰু সংশ্লেষণাত্মক মনোযোগৰ ধাৰণা উদাহৰণ সহ ব্যাখ্যা কৰা।

*Or/বা*

Describe *four* mental causes of forgetting.

বিস্মৃতিৰ *চাৰিটা* মানসিক কাৰণ বৰ্ণনা কৰা।

21. Write *four* important objectives of mental hygiene. 4

মানসিক স্বাস্থ্যবিজ্ঞানৰ *চাৰিটা* গুৰুত্বপূৰ্ণ উদ্দেশ্য লিখা।

22. What is Pie diagram ? Represent the following data of students' enrolment in a primary school by a Pie-diagram. 1+3=4

বৃত্ত চিত্ৰ কি? এখন প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ তথ্য সমূহ বৃত্ত চিত্ৰত উপস্থাপন কৰা।

| Class (শ্ৰেণী) | No. of Students (ছাত্ৰ-ছাত্ৰীৰ সংখ্যা) |
|---|---|
| I | 48 |
| II | 40 |
| III | 40 |
| IV | 32 |

23. Construct a histogram and a polygon of data given in the following table on same axis (use graph paper). 4

তলত দিয়া তালিকাৰ তথ্য সমূহৰ পৰা একে অক্ষৰেখা ব্যৱহাৰ কৰি এটা আয়তক্ষেত্ৰ আৰু বহুভূজ অংকন কৰা। (Graph কাগজ ব্যৱহাৰ কৰিবা)

| Class-interval (শ্ৰেণী অন্তৰাল) | Frequency (বাৰংবাৰতা) |
|---|---|
| 45-49 | 2 |
| 40-44 | 4 |
| 35-39 | 8 |
| 30-34 | 6 |
| 25-29 | 5 |
| 20-24 | 3 |

24. What is Non-formal Education ? Describe the importance of Non-formal Education in present day society. 2+4=6

অগতানুগতিক শিক্ষা কি? বৰ্ত্তমান সমাজত অগতানুগতিক শিক্ষাৰ গুৰুত্ব সমূহ বৰ্ণনা কৰা।

25. What is Value ? What measures we can take for imparting value education in school ? 2+4=6

মূল্যবোধ কি? বিদ্যালয়ত মূল্যবোধৰ শিক্ষা প্ৰদানৰ বাবে আমি কি কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰো?



*Or* / *বা*

What do you mean by women empowerment ? Discuss the role of education in women empowerment. 2+4=6

মহিলা সবলীকৰণ বুলিলে তুমি কি বুজা? মহিলা সবলীকৰণত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

26. Explain the process of memorisation. Briefly describe *four* marks of good memory. 2+4=6

স্মৰণ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা। ভাল স্মৃতিৰ *চাৰিটা* লক্ষণ চমুকৈ বৰ্ণনা কৰা।

*Or* / *বা*

What is Interest ? Discuss the characteristics of interest. 2+4=6

আগ্ৰহ কি? আগ্ৰহৰ বৈশিষ্ট্য সমূহ আলোচনা কৰা।

27. What is Central Tendency ? Find out Mean of the following distribution table by Assumed Mean method. 2+4=6

কেন্দ্ৰীয় প্ৰৱণতা কি? অনুমিত গড় পদ্ধতিৰ সহায়ত তলৰ বাৰংবাৰতা বিভাজন তালিকাৰ গড় নিৰ্ণয় কৰা।

| Class-Interval (শ্ৰেণী-অন্তৰাল) | Frequency (বাৰংবাৰতা) |
|---|---|
| 40-44 | 5 |
| 35-39 | 8 |
| 30-34 | 8 |
| 25-29 | 10 |
| 20-24 | 12 |
| 15-19 | 6 |
| 10-14 | 5 |
| 5-9 | 3 |
| 0-4 | 3 |
| | $N = 60$ |

——— × ———